**ৰূপান্তৰমূলক নেতৃত্বৰ আলাপ-শিকনৰ বাবে শ্ৰৱণ** (Transformative Leadership Conversation-Listening for Learning)

**নৃপেন শইকীয়া**
অৱসৰী অধ্যক্ষ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

**আৰম্ভনি**(Preamble)-

প্ৰথমে নেতত্ব (Leadership) মানে কি সেই সম্পৰ্কে কিছু আভাষ দিয়া প্ৰয়োজন হব । নেতৃত্ব হৈছে কোনো অনুষ্ঠান বা ব্যক্তিৰ গোটক নেতৃত্ব দিয়া কাৰ্য । নেতৃত্ব দিয়া ব্যক্তিসকলক সাধাৰণতে নিজৰ কৰ্মদক্ষতা অনুসৰি নিৰ্বাচন কৰা হয় ।

নেতৃত্ব দিয়া ব্যক্তি বা নেতাজনৰ বৃহৎসংখ্যক মানুহক প্ৰভাৱিত কৰিব পৰা সামৰ্থ আছে । নেতা এজনে কোনো অনুষ্ঠান বা ব্যক্তিসমষ্টিক শেষ লক্ষ্যৰ দিশত অনুধাৱন কৰাব পাৰে । নেতা এজন নিজৰ জ্ঞান, কৌশল আৰু ধনাত্মক ইতিবাচক তথা স্বচ্ছ মানসিকতাৰ বাবে মানুহৰ অন্তৰত চিৰদিনলৈ থাকি যায় ।

**১. নেতা বা নেতৃত্ব দিয়া ব্যক্তি এজনৰ বৈশিষ্ট সমূহ হৈছে**(The characteristics of a Leader)

ক) তেওঁ সদায় স্ব-প্ৰণোদিত (Self- motivated)

খ) তেওঁ আনক প্ৰভাৱিত কৰিব পাৰে (Influence other)

গ) তেওঁ আন্তঃব্যক্তিত্বমূলক সম্বন্ধ গঢ়ি তুলিব পাৰে (Build interpersonal relationship)

ঘ) সৃজনীমূলক আৰু সুক্ষ্ম বিচাৰ বিবেচনাৰে চিন্তা কৰিব পাৰে (Creative and critical thinking)

ঙ) সিদ্ধান্ত দিব পাৰে (Decision making)

চ) সকলোকে একগোট কৰি দল হিচাপে আগবঢ়াই নিব পাৰে (Ability to take everybody along as a team)

এইবাৰ আমি **পৰিবৰ্তন** (Change) মানে কি সেই বিষয়ে কিছু আভাষ লোৱা ভাল হ'ব । পৰিৱৰ্তন মানে ইয়াত শিক্ষানুষ্ঠান তথা বিদ্যালয়ৰ পৰিবৰ্তনৰ কথা কোৱা হৈছে । এই মডিয়ুলৰ জৰিয়তে শিক্ষানুষ্ঠানত চলি থকা গতানুগতিক কাম-কাজ বা প্ৰচলিত ব্যৱস্থাৰ পৰা আৰ্হিমূলক বা দৃষ্টান্তমূলক পৰিৱৰ্তন ঘটোৱাৰ কথা কোৱা হৈছে ।

বিদ্যালয়খনক নেতৃত্ব দিয়া ব্যক্তিজনে বিদ্যালয়ৰ অংশীদাৰসকলক (Stakeholders) প্ৰভাৱিত কৰিবলৈ আৰু বিদ্যালয়লৈ পৰিৱৰ্তন আনিবলৈ কৰ্মৰ জৰিয়তে নিজক নেতা হিচাবপে প্ৰতিষ্ঠা কৰা প্ৰয়োজন ।

**২. শিকন অৰ্হতা** (Learning Competencies) সম্পৰ্কে কিছু আভাষ লোৱা ভাল হব । ছাত্ৰ-ছাত্ৰীসকলে কি কি মূল ধাৰণা বা কৌশল আহৰণ কৰিবলৈ সক্ষম হ'ব সেই কথাখিনিয়েই হৈছে শিকন অৰ্হতা ।

**মডিয়ুলটোৰ জৰিয়তে** (Learning Objectives)-**শিকাৰুসকলে আয়ত্ত** কৰিব পৰা শিকন অৰ্হতাসমূহ হৈছেঃ

ক) আলাপ (Conversation) কৰিবলৈ শিকা

খ) শ্ৰৱণৰ কৌশল (Skill of listening) বিকাশ ঘটা

গ) শ্ৰৱণ কৌশল প্ৰয়োজনীয়তাৰ উপলব্ধি (Understanding the importance strategy of listening)

ঘ) গভীৰ মনোযোগেৰে শুনা আৰু সক্ৰিয় হৈ শুনাৰ পাৰ্থক্য(Difference between Deep listening and Active listening)

ঙ) শৰীৰৰ সকলো অংশ জড়িত কৰি শুনাৰ দক্ষতা আহৰণ(Listening with your whole body)

**৩. শিকন উদ্দেশ্য (**Learning objectives**)**

এই মডিউলটোৰ জৰিয়তে তলত উল্লেখ কৰা উদ্দেশ্যসমূহত উপনীত হ'ব পাৰিব-

ক) ৰূপান্তৰমূলক নেতৃত্বৰ ধাৰণা আয়ত্ত কৰিব

খ) শিকনৰ বাবে শ্ৰৱণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব

গ) শ্ৰৱনেন্দ্ৰীয়ৰ দ্বাৰা পৰিবৰ্তনমূলক কাৰ্য সম্পাদনৰ কৌশল আয়ত্ত কৰিব

**মূল শব্দ** (Key words used)-

নেতৃত্ব (Leadership); পৰিৱৰ্তন (Change); আলাপ (Conversation); শ্ৰৱণ (Listening); গভীৰভাৱে মন দি শুনা (Deep listening); সক্ৰিয় হৈ শুনা (Active listening), বহনক্ষম ৰুচি (Sustainable interest)

**উপগোট-১ (**Sub-unit-1)

আমাৰ শ্ৰৱনেন্দ্ৰীয়ৰ দ্বাৰা পৰিবৰ্তনমূলক কাৰ্য সম্পাদনঃ (Leading transformative change with our ears)

মোৰ লগত আলাপ কৰা বুলি কল্পনা কৰক (Imagine a conversation with me)

- ✓ কোনোবাই যদি আপোনাৰ কথা **মনোযোগেৰে শুনা নাই** তেন্তে আপুনি সেই কথাটো কেনেকৈ গম পায় ?
- ✓ কোনোবাই যদি আপোনাৰ কথা **মন দি শুনিছে** তেন্তে আপুনি সেইটো কেনেকৈ গম পায় ?

- ✓ যেতিয়া আপুনি গম পাই যে কোনোবাই আপোনাৰ কথা **মনোযোগেৰে শুনা নাই** তেতিয়া তেওঁক আপুনি কেনেদৰে সহাঁৰি জনাব ?
- ✓ যেতিয়া আপুনি গম পায় যে কোনোবাই আপোনাৰ কথা **মনোযোগেৰে শুনিছে** তেন্তে তেওঁক আপুনি কেনেদৰে সহাঁৰি জনাব ?

**উপগোট-২** (Sub- unit-2)-

**৪. শিকনৰ বাবে শ্ৰৱণ দক্ষতাৰ বিকাশ-** (Listening for Learning)

- ✓ শিক্ষা, সমাজ, সংস্কৃতি আৰু অৰ্থনীতিৰ দ্ৰুত পৰিবৰ্তনৰ লগত সংগতি ৰাখি বিদ্যালয় এখনক অধিক দায়বদ্ধ ৰূপত গঢ় দিবলৈ আমি কেনেকৈ নেতৃত্ব দিব লাগিব ?
- ✓ কৌতুহল আৰু শিকন পৰ্যায়ৰ পৰা শ্ৰৱণৰ পৰ্যায়লৈ আমি কেনেকৈ আগুৱাই যাব পাৰো ?
- ✓ মানৱীয় প্ৰয়োজনসমূহ পুৰ কৰাৰ দিশত দায়বদ্ধতাৰে সহাঁৰি জনাব পৰাকৈ শিকনৰ বাবে শ্ৰৱণে কেনেকৈ নেতা এজনক সহায় কৰিব পাৰে ?

**৫. শ্ৰৱণ কৌশল আহৰণ কিয় প্ৰয়োজনীয়** (Why listening is so important for learning) ?

**আলাপ (প্ৰশ্ন কৰা আৰু শুনা) মানে হৈছে-**

- ✓ প্ৰবাহী, গতিশীল বিষয়ক, জবাব দিওতা
- ✓ পাৰস্পৰিক, উভয়ে-উভয়ক
- ✓ বিদ্যালয় নেতৃত্বৰ ধাৰা (দৈনন্দিন জীৱনৰ ৭০% কামকাজ)

**উপগোট-৩** (Sub- unit-3)-

**শ্ৰৱণ** (Listening)-

অৰ্থপূৰ্ণ প্ৰশ্নকৰণে প্ৰাৰম্ভিক ৰুচিৰ আদান-প্ৰদান কৰে । কিন্তু **বহনক্ষম ৰুচিৰ** (Sustainable interest) আদান-প্ৰদানৰ বাবে কোনো এজনে ভালকৈ শুনিব লাগিব ।

- ✓ পৰস্পৰ বিশ্বাস গঢ়ি তোলা- প্ৰতিপালন, যত্ন আৰু আগ্ৰহৰ আদান-প্ৰদান
- ✓ সমস্যা সমাধানৰ বাবে সহায়ৰ হাত আগবঢ়োৱা
- ✓ সুযোগ সৃষ্টি কৰা

**অনুষ্ঠানসমূহ গঢ়ি তোলা, মানৱ সম্পদক গতিশীলতা দিয়া**

(Shaping organization, moving reports)

**অভিপ্ৰায়মূলক ভাষিক**

**গল্প/সাধু আৰু উপমা/ দৃষ্টান্ত**

নোকোৱাকৈ গোপনে বৈ যোৱা বাৰ্তাবোৰৰ আৰ্হি



খোলা বা মুকলি-মূৰীয়া মনৰ আৰ্হি




প্ৰশ্নকৰণ আৰু শ্ৰৱণ

**গভীৰ মনোযোগেৰে শুণা বনাম সক্ৰিয় হৈ শুনা** (Deep listening Vs. Active listening)

| **সক্ৰিয় হৈ শুনা** (Active listening) | **মনোযোগ দি শুনা** (Deep learning) |
|---|---|
| → স্বীকাৰোক্তি প্ৰকাশ কৰে আৰু শলাগ লয়।<br>→ ভংগীমাকেন্দ্ৰিক আৰু মনোযোগী হয়।<br>→ বক্তাৰে কথাখিনি শ্ৰোতাই পুনৰাবৃত্তি কৰাটো আশা কৰে আৰু কোৱা কথাখিনি মনত পেলায়।<br>→ যেতিয়া কোনোৱে সক্ৰিয় হৈ নুশুনে, তাক নিশ্চিত কৰা বক্তাজনৰ বাবে সহজ হয়। | → শিকন ভাবভংগী আৰু অনুভূতি সৃষ্টি কৰে।<br>→ নোকোৱাকৈ গোপনে ৰৈ যোৱা বাৰ্তাবোৰ অন্বেষণ কৰে।<br>→ কৌতুহল আৰু আশ্বৰ্য্যৰ পৰা আৰম্ভ কৰে।<br>→ বহিঃপ্ৰকাশ নঘটা বক্তাজনৰ গঢ়গতি আৰু অভিপ্ৰায় সম্পৰ্কে শ্ৰোতাজনৰ সন্ধান কৰিবলৈ চেষ্টা কৰে। |

→ আপোনাৰ শৰীৰৰ সকলো অংগ জড়িত কৰি শুনাঃ(Listening with your whole body)




সজ শ্ৰোতাৰ ক্ষেত্ৰত শাৰীৰিক মানসিক আৰু আনুভূতিক দিশৰ উপস্থিতি দেখা পোৱা যায়।

শুনিবলৈ কাণ




চাবলৈ চকু



ভাৱিবলৈ মন



অনুভৱ কৰিবলৈ অন্তৰ




→ কল্পনাৰ প্ৰয়োগ ঘটাওক।



কেন্দ্ৰীভূক্ত কৰা বা অবিভক্ত মনোযোগ

কথাষাৰৰ দ্বাৰা কি বুজাব বিচৰা হৈছে (what does this look like ?)

→ শৰীৰ (Body):- বাহুমেলি বক্তাৰ ফালে চাই মূৰ দুপিওৱা।
→ মন(Mind):- মন খুলি শুনা; আপুনি একমত হয়নে নহয় নে ভাবিব; বুজিবলৈ চেষ্টা কৰা ভাল।
→ বক্তাজনে কোৱা কথাবোৰৰ প্ৰতিছবি আপোনাৰ মনত জীৱন্ত কৰি ৰাখিবলৈ চেষ্টা কৰক।

→ কাণ(Ear):- মই সম্পূৰ্ণভাৱে শুনিবলৈ প্ৰস্তুতনে ?

→ চকু (Eye):- বক্তাজনৰ চকুত চকুৰাখি শুনা ।
→ অন্তৰ (Heart):- কথাবোৰ কেনে অনুভৱ

→ হয়। সহানুভূতিৰে বিবেচনা কৰিবলৈ কল্পনাৰ প্ৰয়োগ ঘটাওক।

**উপগোট-৪** (Sub-unit 4)

পৰ্দা (Screen) বা লিখিত নথি/পাঠ (Text)ৰ জৰিয়তে ভালকৈ শুনিবলৈ চেষ্টা কৰা: (listening well with a screen or text)

| **ভিডিঅ** আলাপ (Video Chat) | **ই-মেইল বা পাঠ** (E-mail or text) |
|---|---|
| -হাঁহিৰে আৰম্ভ কৰক(Start with a smile)<br>-মাতৰ ধৰণ সলনি কৰক(Vary your tone of voice)<br>-আৱেগ অনুভূতি দেখুৱাবলৈ আৱেগ সৃষ্টি কৰক।(Use emotions to show emotional involvement)<br>-মূলকথাৰ পৰা ফালৰিকাতি যোৱা অভ্যাস এৰাই চলক।(Get rid of distraction)<br>-চকুলৈ চাই শুনাটো এই ক্ষেত্ৰটো প্ৰয়োজনীয়।(Eye contact still counts)<br>-আপোনাৰ মুখমণ্ডল যাতে স্পষ্ট ভাবে দেখা পোৱা নাযায় তাৰ প্ৰতি নজৰ ৰাখিব।<br>-প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ ভয় নকৰিব।<br>-আপোনাৰ ভাব অনুভূতি আৰু প্ৰতিক্ৰিয়া প্ৰদানত চুটি দফা প্ৰয়োগ কৰক।যেনে-<br>• বা:বঢ়িয়া!<br>• আপুনি মোৰ আজিৰ দিনটো উজ্বলাই তুলিলে।<br>• সেইটো ভয়ানক/ভয়ংকৰ! | -কাৰোবালৈ প্ৰেৰণ কৰাৰ আগতে ই-মেইল বা পাঠটো পুনৰ এবাৰ পঢ়ি চাওক।<br>-পঢ়িব পৰাকৈ চুটি দফা বনাওক।<br>(Use short paragraph for readability)<br>-সময়মতে সঁহাৰি জনাওক।<br>(Respond in a timely manner)<br>-ব্যক্তিগতভাৱে কৈ বা নাম ধৰি সহাঁৰি জনাওক।<br>(Personal use names in response)<br>-অনুভৱশীলতাৰ আদান প্ৰদান –আনৰ অনুভৱ আৰু প্ৰতিক্ৰিয়া সম্পৰ্কে সোধক। যেনে-<br>• সেই সম্পৰ্কে আপুনি কেনে অনুভৱ কৰিছে?<br>• আপুনি আশা কৰা মতেই সেইটো হৈছেনে?<br>-বাঞ্চিত সহাঁৰি/পৰিণতি স্পষ্ট কৰক।<br>(Clarify the desired response/outcome)<br>-গা-মন বেয়া হলে ২৪ ঘণ্টীয়া নীতিৰ প্ৰয়োগ ঘটাওক।<br>(Use 24 hour rule when upset) |

-এই প্ৰশ্নসমূহ সোধাৰ জৰিয়তে আপুনি ভাল শ্ৰোতা হিচাপে বিবেচিত হব (Asking these questions will make you better listener):

- স্পষ্টকৈ বুজিবলৈ সুধিছো: ...অমুক.... কথাটো কৈছে নেকি বাৰু?
- সেই কথাটোৰ দ্বাৰা কি বুজাইছে বাৰু ? অকণমান ব্যাখ্যা কৰি কব নেকি?
- মই অনুমান কৰিছো:সেই কথাটোৱে আপোনাক কিবা এটা অনুভৱ কৰাইছে। হয়নে বাৰু? আৰু কিবা কব নেকি? (নিভাঁজ/অকৃত্ৰিমভাৱে সোধা উচিত)

**অনুভৱশীলতা/সমমৰ্মিতাৰে শুনা :** (Emphatic listening)

ব্যক্তিজনে  অনুভৱ কৰা আৱেগখিনি চিনাক্ত কৰিবলৈ চেষ্টা কৰক আৰু প্ৰশ্নৰ জৰিয়তে সেইটো প্ৰতিফলন ঘটাওক।

- আপুনি কি অনুভৱ কৰিছে সেই সম্পৰ্কে মই বুজ লবলৈ চেষ্টা কৰিছো।মই ভাবো,ই হৈছে আপোনাৰ হতাশাগ্ৰস্ততা। মই ভবা কথাটো শুদ্ধনে বাৰু?
- কোনো এজন ব্যক্তিৰ ভবা-অনুভূতিবোৰ যেতিয়া দাপোনত চোৱা হয়, তেনে ক্ষেত্ৰত শক্তি সঞ্চালনৰ দিশত অনুভৱশীলতা তথা সমমৰ্মিতাই (Empathy) এক শক্তিশালী আহিলা হিচাপে কাম কৰে।

**উপগোট – ৫ (**Sub unit – 5) **:**

**আমাৰ কাণখনৰ সহায়ত ৰূপান্তৰমূলক পৰিৱৰ্তনৰ নেতৃত্ব দান** (Leading transformative change with our ears) :

→ বিদ্যালয় এখন নেতৃত্ব দিয়াত এইটো কিয় প্ৰয়োজনীয় ?

→ দ্ৰুত পৰিৱৰ্তন আৰু বৰ্দ্ধিত জটিলতা বৃদ্ধিৰ বাবে জটিল সমস্যা সমাধানৰ দিশত অবিৰত শিকনৰ প্ৰয়োজনীয়তা
আছে।

→ জটিল সমস্যাৰ ক্ষেত্ৰত স্বৃজনশীল আৰু পৰিসৰৰ বাহিৰৰ চিন্তাচৰ্চাৰ প্ৰয়োজন হয়।

→ গভীৰ মনোযোগেৰে শুনা কাৰ্যই ব্যৱহাৰিক সুক্ষ্মদৃষ্টিৰ বিকাশ ঘটায়।
(গাউষ্টন-২০১০)

**উপগোট-৬** (Sub unit-6) :

**বাছকবনীয়া মূলকথাবোৰ** (Main take a ways) :

→ ভালকৈ শুনা কাৰ্যই, অনুষ্ঠান আৰু ইয়াৰ মানৱসম্পদ সমূহলৈ গতিশীলতা আনি দিয়ে।

- পৰস্পৰ বিশ্বাস গঢ়াৰ জৰিয়তে প্ৰতিপালন/যত্ন আৰু সম্পৰ্ক দৃঢ় হয়।
- সমস্যা সমাধানত সহায় কৰে।
- সুযোগ সৃষ্টি কৰে।
- একেধৰণৰ চিন্তা গঢ় লয়।

→ **প্ৰস্থান টিকট** (Exit Ticket) **:**

1. আপুনি আজি  শিকা (১-৩) লৈ মূলধাৰণাসমূহ কি কি ?
2. আজিৰ অধিবেশন (Session) ৰ পৰা শিকা কথাবোৰ আপোনাৰ কৰ্ম জীৱনত (Your work life) কেনেকৈ কাৰ্যকৰী কৰিব পাৰিব বুলি ভাৱে?
3. আজিৰ অধিৱেশনৰ পৰা শিকা কথাবোৰ আপোনাৰ ব্যক্তিগত জীৱনত (personal life) কেনেকৈ কাৰ্যকৰী কৰিব পাৰিব বুলি আশা কৰে।
4. এই সপ্তাহত আয়োজন কৰিব লগীয়া এটা আলাপৰ (conversation) নাম উল্লেখ কৰক, যিটো আপুনি শিকনৰ বাবে শুনা (listening for learning) আৰু প্ৰতিবেদন যুগুটোৱাৰ বাবে অভ্যাসন কৰিব খোজে।